# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 13-12-2024

**Time :** 1715 Hrs

***Assamese Evening Bulletin***

সংসদৰ দুয়োখন সদনতে আজি ২০০১ চনৰ সংসদ ভৱন আক্ৰমণৰ ঘটনাত নিহত ছহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। দুয়োখন সদনৰ সদস্যসকলে দেশৰ সৰ্বোচ্চ গণতান্ত্ৰিক সংস্থাৰ হকে আত্মবলিদান দিয়া নিৰাপত্তাৰক্ষীসকলৰ স্মৃতিৰ প্ৰতি সন্মান জনাই মৌনতা অৱলম্বন কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ছহীদ জোৱানসকলৰ আত্মত্যাগৰ বিষয়ে উল্লেখ কৰি কয়, যে আজিৰ এই দিনটোতেই সংসদৰ সজাগ নিৰাপত্তাৰক্ষীসকলে নিজৰ দৃষ্টান্তমূলক সাহস দেখুৱাই সন্ত্ৰাসবাদীৰ কু-প্ৰচেষ্টাক বিফল কৰি তুলিছিল। তেওঁ কয়, যে এই দিনটোত সদনে সন্ত্ৰাসবাদৰ বিৰুদ্ধে দৃঢ়তাৰে যুঁজ দিয়াৰ সংকল্প পুনৰবাৰ প্ৰকাশ কৰিছে।

ৰাজ্যসভাত সভাপতি জগদীপ ধনখড়ে কয়, যে নিৰাপত্তাৰক্ষীসকলৰ সাহস আৰু দৃঢ়তাই সন্ত্ৰাসবাদীৰ কু-অভিপ্ৰায় বিফল কৰি তুলিছিল। এই দিনটো দেশৰ একতাৰ লগতে নিৰাপত্তাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ দিশ সমূহো চালি-জাৰি চাবলৈ বিশেষভাৱে পালন কৰাৰ প্ৰয়োজন বুলিও তেওঁ মত পোষণ কৰে। ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়েও সামাজিক মাধ্যমত ২৩ বছৰ পূৰ্বে আত্মবলিদান দিয়া নিৰাপত্তাৰক্ষীসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০

বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি কোকৰাঝাৰত বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটিকে ধৰি অন্যান্য সাহায্য সামগ্ৰী আৰু নগদ ধন বিতৰণ কৰে। মুখ্য মন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত এঘাৰ হাজাৰ ৫০৪ খন চাইকেল নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰা হয়। বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ৩৭৩ খন স্কুটি আৰু আনন্দৰাম বৰুৱা মেধা বঁটাৰ অধীনত ৩৬৫ গৰাকী ছাত্ৰ-ছাত্ৰীক নগদ ধন প্ৰদান কৰা হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত শ্ৰোতাসকলৰ বাতৰি সম্পৰ্কীয় মতামত, অভিযোগ আৰু পৰামৰ্শ অনুষ্ঠান প্ৰচাৰ কৰিব। ইয়াত Whatsapp নম্বৰ ৯৮৬৪০-৫৫৫৬৬ যোগে লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ লগতে অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত দিয়া অভিমত, প্ৰশ্ন আৰু উত্তৰ প্ৰচাৰিত হ'ব।

০০০০০

গুৱাহাটী মহানগৰীৰ বৰাগাঁৱত সংঘটিত দলবদ্ধ ধৰ্ষণৰ ঘটনা সন্দৰ্ভত আজি পুৱতি নিশা আৰক্ষীয়ে অভিযান চলাই ৭ জন অভিযুক্তক আটক কৰিছে। গুৱাহাটীৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই প্ৰকাশ কৰা অনুসৰি ৫ দিন পূৰ্বে বৰাগাঁৱৰ দূৰ্গা মন্দিৰ প্ৰাংগনত ১৮ বছৰৰ পৰা ২৩ বছৰ বয়সীয়া এই বিকৃত মানসিকতাৰ যুৱককেইজনে ৰাস চাই উভতি অহা এগৰাকী যুৱতীক দলবদ্ধভাৱে ধৰ্ষণ কৰে আৰু এই দৃশ্য ম'বাইল ফোনত আবদ্ধ কৰে।

এগৰাকী সাংবাদিকে এই আপত্তিজনক ভিডিঅ' গড়চুক আৰক্ষীক জমা দিয়াৰ পাছত গড়চুক থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ময়ূৰজিৎ গগৈৰ নেতৃত্বত এটা দলে আজি পুৱতি নিশা কেইবা ঠাইতো অভিযান চলাই অভিযুক্ত কেইগৰাকীক আটক কৰে। এই ঘটনাৰ আন তিনিজন অভিযুক্ত এতিয়াও পলাতক অৱস্থাত আছে। অভিযুক্ত কেইজনক আজিয়েই আদালতত হাজিৰ কৰোৱা হয়।

ooooo

বিশিষ্ট শিক্ষাবিদ, তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য তথা শিক্ষা বিভাগৰ প্ৰাক্তন উপদেষ্টা ড° মিহিৰকান্তি চৌধুৰীৰ আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭ বছৰ।

খড়গপুৰৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, জাৰ্মানীৰ ব'চামৰ ৰুৰ বিশ্ববিদ্যালয় আৰু কল্যাণী বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰা ড০ চৌধুৰী এগৰাকী প্ৰসিদ্ধ অজৈৱ ৰসায়নবিদ হিচাপে দেশ বিদেশত পৰিচিত আছিল। গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ লগতে দেশৰ কেইবাখনো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত ড০ চৌধুৰীয়ে অধ্যাপকৰূপে সেৱা আগবঢ়াইছিল। বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদ আৰু ভাৰতীয় ৰাষ্ট্ৰীয় বিজ্ঞান একাডেমীৰ নিৰ্বাচিত বিজ্ঞানী প্ৰয়াত চৌধুৰীয়ে ১৯৮৯ চনত শান্তিস্বৰূপ ভাটনাগৰ বঁটাকে ধৰি বহুকেইটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰে সন্মানিত হৈছিল। তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা আৰু উন্নয়নৰ ক্ষেত্ৰত তেখেতৰ ভূমিকা উল্লেখনীয় আছিল। চৌধুৰীৰ মৃত্যুত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, তেজপুৰ বিশ্ববিদ্যালয় সমাজৰ লগতে ৰাজ্যৰ বহু বিশিষ্ট ব্যক্তি আৰু দল সংগঠনে শোক প্ৰকাশ কৰিছে।

ooooo

বিশিষ্ট কবি, সু-লেখিকা মীৰা ঠাকুৰে যোৱা নিশা হৃদৰোগজনিত ৰোগত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮২ বছৰ। তেজপুৰত জন্মগ্ৰহণ কৰা মীৰা ঠাকুৰে যোৰহাটৰ দেৱী চৰণ বৰুৱা ছোৱালী মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। তেওঁ কিছুদিন ডিফু চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতাও কৰিছিল। তেজত ফুলত ওঁঠত, বন বকুলৰ সুঁহুৰী, নিছিগা সুঁতাৰ ধাৰ— হৈছে তেওঁৰ উল্লেখযোগ্য কাব্য সংকলন। অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনেৰে সন্মানিত মীৰা ঠাকুৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সৈতেও জড়িত আছিল। ১৯৯৭ চনত তেওঁৰ কবিতা আকাশবাণীৰ সৰ্বভাৰতীয় কবি সন্মিলনলৈ নিৰ্বাচিত হৈছিল। অসম কবি সমাজ, শতদল সাহিত্য সভা, সদৌ অসম লেখিকা সন্থাকে ধৰি ভালেকেইটা সাহিত্য-সংস্কৃতি সংগঠনৰ সৈতে জড়িত মীৰা ঠাকুৰৰ নশ্বৰ দেহৰ অন্তেষ্টিক্ৰিয়া আজি দিনৰ ভাগত নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হয়। ৰাজ্যখনৰ কেইবাগৰাকীও কবি, সাহিত্যিকে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত